গোচৰ নং:

২০০৫ চনৰ আপীল (দেৱানী)নং ২৫১৯-২৫২০

আবেদনকাৰী:

সোনা বালা বৰা আৰু অন্যান্য।

উত্তৰদাতা:

জ্যোতিৰিন্দ্ৰ ভট্টাচাৰ্জী

ৰায়দানৰ তাৰিখ: ১১/০৪/২০০৫

মহামান্য ন্যায়াধীশ ৰুমা পাল আৰু মহামান্য ন্যায়াধীশ চি.কে. থক্কৰৰ খণ্ড বিচাৰপীঠ

ৰায়দান:

(২০০৪ চনৰ এছ. এল. পি (চি) নং ১০০৮৪-৮৫ৰ পৰা উদ্ভৱ হোৱা)

মহামান্য ন্যায়াধীশ ৰুমা পাল,

অনুমতি প্ৰদান কৰা হ'ল-

প্ৰথম আপীলকাৰী গৰাকী হৈছে ভগীৰথ বৰাৰ বিধৱা পত্নী। ২-৪ লৈকে আপীলকাৰীসকল তেওঁলোকৰ সন্তান।তেওঁলোকে .১৭৬ একৰ এলেকাত অৱস্থিত এটা বঙলাত শ্বিলঙত বাস কৰে।

একেটা প্লটতে আৰু দুটা বঙলা আছে যি দুটা ভাড়াত দিয়া হৈছে। উত্তৰদাতাই দাবী কৰে যে ১৯৭৭ চনত ভগীৰথৰ পৰা তিনিওটা বঙলা আৰু মাটিখিনি ৬৯,০০০/- টকাৰ বিনিময়ত তেওঁ ক্ৰয় কৰিছিল। ১৯৭৮ চনত, মাটি আৰু অট্টালিকাৰ একক মালিকীস্বত্ব বিচাৰি উত্তৰদাতাই আপীলকাৰী আৰু ভগীৰথ (যাক proforma defendant হিচাপে উল্লেখ কৰা হৈছিল)ৰ বিৰুদ্ধে এক স্বত্ব গোচৰ তৰে। ইয়াৰ উপৰিও তেওঁ আপীলকাৰী আৰু ভাড়াতীয়াসকলক উচ্ছেদ কৰি খালী দখলীৰ বাবেও ডিক্ৰী বিচাৰিছিল, লগতে মেছনে লাভ (mesne profits), সেই লাভৰ সুত আৰু খৰচৰ দাবীও কৰিছিল।

আপীলকাৰীসকলেও উত্তৰদাতা আৰু ভগীৰথৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰি দাবী কৰে যে ভগীৰথৰ উত্তৰদাতাক সম্পত্তি হস্তান্তৰ কৰাৰ সম্পূৰ্ণ অধিকাৰ নাই। উত্তৰদাতাক বিক্ৰী কৰা সম্পত্তি বৈধ নহয় আৰু ইয়াক বাতিল কৰিব লাগে, এই বাবে যে ভগীৰথ ১৯৭৭ চনৰ ১০ জুন তাৰিখে দাখিল কৰা Ct. case no. 3/1977 ৰ এক আপোচ আবেদনৰ (compromise petition) চৰ্তৰ অধীনত আছিল। আপীলকাৰীসকলে এই কথাও দৃঢ়তাৰে কয় যে তেওঁলোকৰ মাটিত থকা বাকী দুটা ঘৰ ক্ৰয় কৰাৰ আগতীয়া অধিকাৰ আছে। এইটো হয় যে ১৯৭৭ চনত ভগীৰথে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১০৭ নং ধাৰাত দণ্ডাধীশৰ সন্মুখত কোনো আপীলকাৰীৰ বিৰুদ্ধে অভিযোগ (Case No. 3/1977) দাখিল কৰিছিল।১৯৭৭ চনৰ ১০ জুনত দণ্ডাধীশৰ সন্মুখত নিষ্পত্তিৰ চৰ্ত দাখিল কৰি অভিযোগৰ গোচৰটোৰ আপোচ মীমাংসা কৰা হয়। আপোচৰ অংশ হিচাপে ভগীৰথে আপীলকাৰীসকলে বাস কৰা বঙলা আৰু মাটি প্ৰথম আপীলকাৰীক উপহাৰ হিচাপে দিব লাগিছিল।ভগীৰথে বাকী দুটা

ঘৰ ক্ৰেতাক বিক্ৰী কৰাৰ সময়তে উপহাৰৰ দলিলখন কাৰ্য্যকৰী আৰু পঞ্জীয়ন কৰাটো প্ৰয়োজনীয় আছিল।ভগীৰথে প্ৰথম আবেদনকাৰীক উপহাৰ হিচাপে দিয়া ঘৰৰ সৈতে আন দুটা ঘৰক পৃথক কৰিবলৈ সীমা হিচাপে তেওঁৰ নিজা খৰচত এক পকী দেৱাল নিৰ্মাণ কৰিবলৈও সন্মত হৈছিল। তেওঁ পত্নীক উপহাৰ হিচাপে দিয়া ঘৰৰ বাবে এটা অনাময় শৌচাগাৰ নিৰ্মাণ কৰিবলৈও সন্মত হৈছিল। ইয়াৰ উপৰিও, ভগীৰথে আন দুটা ঘৰৰ বিক্ৰীৰ পৰা পোৱা ধনৰ পৰা তেওঁৰ পত্নীৰ নামত ১০,০০০/- টকা বেংক একাউন্ট খুলিব লাগিছিল। উল্লেখ কৰা চৰ্তসমূহৰ প্ৰতি লক্ষ্য ৰাখি আপীলকাৰীসকলে ভগীৰথে আন দুটা ঘৰ নিজৰ পছন্দৰ ক্ৰেতাক বিক্ৰী কৰাত বাধা বা হস্তক্ষেপ নকৰিবলৈ সন্মত হয়। সেই ঘৰত থকা ভাড়াতীয়াসকলৰ পৰা দখল লাভ কৰাৰ পিছত, তেওঁলোকে ভগীৰথক বিক্ৰী কৰিবলগীয়া ঘৰ দুটা খালী কৰি ১৯৭৭ চনৰ ২০ জুন বা তাৰ আগতে দখল প্ৰদান কৰিবলৈও সন্মত হয়। এই চুক্তি ভংগ কৰি, ভগীৰথে প্ৰথম আবেদনকাৰীৰ উপহাৰ দলিল কাৰ্যকৰী নকৰাকৈ উত্তৰদাতাক তাত থকা তিনিওটা ঘৰৰ সৈতে সমগ্ৰ সম্পত্তি বিক্ৰী কৰিছিল।মুঠৰ ওপৰত, আপীলকাৰীসকলৰ মতে তেওঁলোকে এই লেনদেনৰ বিষয়ে অৱগত নাছিল, উত্তৰদাতাৰ অনুৰোধত সম্পত্তিৰ সন্দৰ্ভত পৰৱৰ্তী সময়ত কৰা নামজাৰী সৰ্ন্দভত কোনো জাননীও দিয়া হোৱা নাছিল।

দুয়োটা গোচৰতে, ভগীৰথে উত্তৰদাতাক সমৰ্থন কৰি আৰু আবেদনকাৰীসকলৰ দাবী অস্বীকাৰ কৰি এক লিখিত লিখিত বিবৃতি দাখিল কৰিছিল।দুয়োটা গোচৰ একত্ৰিত কৰা হৈছিল আৰু শুনা গৈছিল। দুটা পৃথক বিষয় প্ৰস্তুত কৰা হৈছিল। দুয়োপক্ষই

সাক্ষ্য প্ৰদান কৰাৰ পিছত, অধিবক্তা এই কথাত সন্মত হয় যে উপস্থাপন কৰা প্ৰমাণৰ ভিত্তিত উত্তৰদাতাই গোচৰৰ সম্পত্তি লাভ কৰাৰ অধিকাৰ আছেনে নাই ইয়াৰ ওপৰত ভিত্তি কৰিহে গোচৰৰ সিদ্ধান্ত লব পৰা যাব। ১৯৮৫ চনৰ ১২ জুলাই তাৰিখে দুয়োটা গোচৰতে জিলা ন্যায়াধীশ গৰাকীয়ে এক উমৈহতীয়া ৰায় প্ৰদান কৰিছিল। তেওঁ মত প্ৰকাশ কৰে যে-

(১) ১৯৭১ চনৰ পৰাই ভগীৰথ মানসিকভাৱে ভাৰসাম্যহীন হৈ আছিল।

(২) সম্পত্তিৰ বিক্ৰী আৰু নামজাৰী আবেদনকাৰীসকলৰ অজ্ঞতাত হৈছিল।

(৩) যদিও ভগীৰথৰ মানসিক ভাৰসাম্যহীনতা চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰা হৈছিল বুলি উত্তৰদাতাই কৈছিল, কিন্তু চিকিৎসকজনক মাতি অনা হোৱা নাছিল।

(৪) দখল নকৰাকৈয়ে উত্তৰদাতাৰ নামত সম্পত্তিৰ নামজাৰী কৰা হৈছিল।

(৫) উত্তৰদাতাই সাক্ষ্যত কৈছিল যে যদি তেওঁক ধন ঘূৰাই দিয়া হয় তেন্তে তেওঁ সম্পত্তিৰ ওপৰত থকা দাবী ত্যাগ কৰিবলৈ ইচ্ছুক। এই পৰিস্থিতিত, যদিহে আপীলকাৰীসকলক উচ্ছেদ কৰা হয় তেওঁলোক গুৰুতৰ অসুবিধাৰ সন্মুখীন হ'ব লগা হব কিয়নো তেওঁলোকৰ থাকিবৰ বাবে আন কোনো ঘৰ নাছিল, আনহাতে উত্তৰদাতাজনৰ ওমলিঙত নিজৰ ঘৰ আছিল, সেয়েহে উত্তৰদাতাজনৰ গোচৰটো খাৰিজ কৰা হৈছিল আৰু ১ নং

আপীলকাৰীক ৬৯,০০০/- টকা ছয় মাহৰ ভিতৰত উত্তৰদাতাক পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। যদিহে পৰিশোধ নকৰে উত্তৰদাতাই ৬৯,০০০/- টকাৰ ডিক্ৰীখন জাৰী কৰিব পাৰিব। উত্তৰদাতাই উষ্চ ন্যায়ালয়ৰ একক ন্যায়াধীশৰ ওচৰত আবেদন দাখিল কৰিছিল। আপীলটো চলি থকাৰ সময়তে, ১৯৮৮ চনৰ ১৮ আগষ্টত ভগীৰথৰ মৃত্যু হয়। ১৯৯৪ চনৰ ৩ মাৰ্চত আপীল খাৰিজ কৰা হৈছিল। প্ৰথম আপীল আদালতে নিম্নলিখিত বিষয়সমূহ নিৰ্দ্ধাৰণ কৰিছিলঃ –

১) ৬ নং উত্তৰদাতা– স্বৰ্গীয় ভগীৰথ বৰা সম্পত্তিৰ একমাত্ৰ গৰাকী আছিল নেকি আৰু সম্পত্তি বিক্ৰীৰ অধিকাৰ তেওঁৰ আছিল নেকি।

২) পঞ্জীয়নভুক্ত বিক্ৰী দলিল কাৰ্য্যকৰীকৰণৰ সময়ত ৬ নং উত্তৰদাতা মানসিকভাৱে সুস্থ নাছিল নেকি আৰু বিক্ৰী দলিল কাৰ্যকৰী কৰাৰ ফলত সম্পত্তিৰ অধিকাৰ আৰু স্বত্ব আপীলকাৰীলৈ হস্তান্তৰ হৈছিল নেকি।

৩) আপীলকাৰীয়ে সম্পত্তিৰ অধিকাৰ লাভ কৰিছিল নে নাই "।

প্ৰথম বিষয়ত, বিদ্বান একক ন্যায়াধীশজনে এই সিদ্ধান্তত উপনীত হৈছিল যে পৰিয়ালৰ কল্যাণৰ বাবে ভগীৰথৰ নামত ভূমি আছিল আৰু ঘৰবোৰ নিৰ্মাণ কৰোতে প্ৰথম আবেদনকাৰীয়ে যথেষ্ঠ আৰ্থিক অৱদান আগবঢ়াইছিল । সেয়েহে, মতপোষণ কৰা হৈছিল যে ভগীৰথ সম্পত্তিৰ একমাত্ৰ গৰাকী নহয় আৰু তেওঁ সমগ্ৰ ভূমি উত্তৰদাতাক হস্তান্তৰ কৰিব নোৱাৰে। দ্বিতীয় বিষয়ত,

আপীলকাৰীসকলৰ গোচৰত বিশ্বাস কৰা হৈছিল যে বিতৰ্কিত বিক্ৰী দলিলখন কাৰ্যকৰী কৰাৰ সময়ত ভগীৰথৰ মানসিক ভাৰসাম্যতা নাছিল। এই সিদ্ধান্তটো এই কথাৰ ওপৰত আধাৰিত আছিল যে বিক্ৰী দলিলখন কাৰ্যকৰী কৰিবলৈ ভগীৰথ মানসিকভাৱে সুস্থ আছিল বুলি দেখুৱাবলৈ উত্তৰদাতা ব্যৰ্থ হৈছিল। আনহাতে, প্ৰথম আপীলকাৰীয়ে সাক্ষ্য প্ৰদান কৰিছিল যে ১৯৭১ চনৰ পৰাই তেওঁ ঘৰ দুখনৰ পৰা ভাৰা সংগ্ৰহ কৰি আছিল যেতিয়া ভগীৰথে মানসিক ভাৰসাম্যহীনতাত ভুগিবলৈ আৰম্ভ কৰিছিল, সেই সময়ত তেওঁ আৱাসিক ঘৰটো বিক্ৰী কৰাৰ ভাবুকি দিছিল, তেওঁ পৰিয়ালৰ প্ৰতি উদাসীন হৈ পৰিছিল আৰু পৰিয়ালৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল, তেওঁৰ আচৰণ স্বাভাৱিক নাছিল, তেওঁ তেওঁৰ পত্নী আৰু সন্তানৰ বিৰুদ্ধে গোচৰ দাখিল কৰিছিল, তেওঁ হিংসাত্মক আৰু কাজিয়াখোৰ হৈ পৰিছিল, তেওঁ দীৰ্ঘদিন ধৰি ঘৰৰ পৰা আঁতৰি আছিল, তেওঁ গোপনে তেওঁৰ পৰিয়ালৰ সদস্যসকলক গৃহহীন কৰি বিক্ৰীৰ জৰিয়তে সমগ্ৰ সম্পত্তি স্থানান্তৰ কৰিছিল আৰু অৱশেষত তেওঁ বলপূৰ্বকভাৱে বেদখল কৰিবলৈ চেষ্টা কৰিছিল। বিদ্বান একক ন্যায়াধীশজন অৱশ্যে এই কথাটোৰ প্ৰতি সচেতন আছিল যে এই কাৰকবোৰে হয়তো এজন ব্যক্তি মানসিকভাৱে অস্থিৰ বুলি দেখুৱাব নোৱাৰে কিন্তু তেওঁৰ মতে ভগীৰথ মানসিকভাৱে সম্পূৰ্ণ সুস্থ নাছিল আৰু সেয়েহে তেওঁ সম্পাদন কৰা বিক্ৰী চুক্তিয়ে উত্তৰদাতাক কোনো অধিকাৰ আৰু স্বত্ব প্ৰদান কৰা নাছিল। তৃতীয় বিষয়ৰ ক্ষেত্ৰটো উত্তৰদাতাৰ বিৰুদ্ধে সিদ্ধান্ত লোৱা হৈছিল যে ভগীৰথে কেতিয়াও সমগ্ৰ সম্পত্তি তেওঁক প্ৰদান কৰিব পৰা অৱস্থাত নাছিল। অৱশ্যে, পৰৱৰ্তী সময়ত উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ আগত উত্তৰদাতাই কৰা আবেদন সফল হয়। একেখন উচ্চ

ন্যায়ালয়ৰ শ্ৰীমতী অমিয়া বালা দত্ত বনাম মুকুল অধিকাৰী আৰু অন্যান্য ১৯৯৮ (২) জি. এল. জে ৫২৭ গোচৰত লোৱা সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰি আপীল আদালতে মত প্ৰকাশ কৰিছিল যে যিহেতু পট্টা ভগীৰথক প্ৰদান কৰা হৈছিল, সেয়েহে তেওঁ তেওঁ মালিকীস্বত্বৰ অধিকাৰ লাভ কৰিছিল আৰু বাস কৰি থকা ঘৰত লগতে বাকী কেইটা ঘৰ বিক্ৰী আৰু হস্তান্তৰ কৰাৰ স্থায়ী অধিকাৰ আছিল।

আদালতে এইবুলিও মত প্ৰকাশ কৰিছিল যে ঘৰটো নিৰ্মাণ কৰোতে প্ৰথম আবেদনকাৰীয়ে যথেষ্ঠ আৰ্থিক অৱদান আগবঢ়াইছিল, যিটো নিৰ্ভৰযোগ্য মৌখিক বা নথিপত্ৰ দ্বাৰা প্ৰমাণিত হোৱা নাই, সেয়েহে ই আপীলকাৰীসকলক সম্পত্তিৰ ওপৰত কোনো অধিকাৰ প্ৰদান নকৰে। তদুপৰি আপোচ কৰা ডিক্ৰী খন (compromise degree) এই ভিত্তিত আগবাঢ়ে যে ভগীৰথ সেই সম্পত্তিৰ সঠিক গৰাকী আৰু ইয়াৰ ওপৰত তেওঁৰ বিক্ৰীযোগ্য অধিকাৰ আছে। ভগীৰথৰ মানসিক অস্থিৰতাৰ, যিটো অভিযোগ কৰা হৈছিল, সন্দৰ্ভত মত প্ৰকাশ কৰা হৈছিল যে এই কথা প্ৰমাণ কৰাৰ দায়িত্ব আপীলকাৰীসকলৰ ওপৰত নিৰ্ভৰশীল, যিটো দায়িত্ব তেওঁলোকে পালন কৰিব পৰা নাছিল। বিদ্বান ন্যায়াধীশসকলে মত প্ৰকাশ কৰিছিল যে ভগীৰথে তেওঁৰ পত্নী আৰু সন্তানৰ বিৰুদ্ধে অপৰাধমূলক গোচৰ তৰা, ঘৰটো এজন অচিনাকি লোকক বিক্ৰী কৰা আৰু আপীলকাৰীসকলে দিয়া আন উদাহৰণসমূহে ভগীৰথ এজন স্বাভাৱিক ব্যক্তি নহয় বুলি প্ৰমাণ নকৰে। লিখিত জবানবন্দীত বা আপীলকাৰীয়ে দাখিল কৰা অভিযোগত বিক্ৰীৰ দলিল কাৰ্যকৰী কৰাৰ সময়ত ভগীৰথৰ মানসিক অৱস্থা সন্দৰ্ভত

কোনো যুক্তিৰ উল্লেখ নাছিল । এইটো উল্লেখ কৰা হৈছিল যে আপীলকাৰীসকলৰ যুক্তি সমৰ্থন কৰিবলৈ ভগীৰথক কেতিয়াও চিকিৎসাগতভাৱে পৰীক্ষা কৰা হোৱা নাছিল যে তেওঁৰ মানসিক ভাৰসাম্যতা নাছিল। শেষত সিদ্ধান্ত লোৱা হয় যে প্ৰিইম্পচনৰ ( preemption ) অধিকাৰ দাবী কৰিব নোৱাৰি, কিয়নো মেঘালয় ৰাজ্যত প্ৰিইম্পচন আইন প্ৰযোজ্য নহয়। সেই অনুসৰি, উত্তৰদাতাৰ আপীল মঞ্জুৰ কৰা হৈছিল, একক ন্যায়াধীশৰ সিদ্ধান্ত বাতিল কৰা হৈছিল আৰু উত্তৰদাতাই দাখিল কৰা গোচৰটোত বিচৰা ধৰণে সকাহ প্ৰদান কৰি ৰায় দান প্ৰদান কৰা হৈছিল। আমি উচ্চ ন্যায়ালয়ৰ যুক্তি সমৰ্থন কৰিব নোৱাৰো।

প্ৰথমতে-খণ্ড বিচাৰপীঠে এই ভিত্তিত ভুলকৈ আগবাঢ়িছিল যে আপীলকাৰীৰ অভিযোগ বা লিখিত বিবৃতিত ভগীৰথৰ মানসিক ভাৰসাম্যহীনতাৰ কোনো উল্লেখ নাছিল। দৰাচলতে লিখিত বিবৃতি আৰু অভিযোগ দুয়োটাতে আবেদনকাৰীসকলে উল্লেখ কৰিছিল যে ১৯৬৮ চনত ভগীৰথে চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত, "অস্বাভাৱিক আচৰণ কৰিছিল আৰু পৰিয়ালৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল" আৰু মানসিক ভাৰসাম্যহীনতাৰ লক্ষণে দেখা দিছিল আৰু তেওঁ বিবাদপ্ৰিয় আৰু হিংসাত্মক হৈ পৰিছিল।দাবী কৰা হৈছিল যে যদিও ভগীৰথৰ মানসিক অৱস্থা উন্নত হৈছিল, ১৯৭৭ চনত পুনৰ অৱনতি ঘটিছিল আৰু তেওঁ মানসিক ভাৱে ভাৰসাম্যহীন হৈ থকা সময়ত সদায় সম্পত্তিটো বিক্ৰী কৰাৰ ভাবুকি দিছিল।

এইটো সঁচা যে উত্তৰদাতাই সাক্ষ্যত দাবী কৰিছিল যে তেওঁ মাটি ক্ৰয় কৰাৰ সময়ত, ভগীৰথ এজন স্বাভাৱিক মানুহ আছিল আৰু কোনো মানসিক বিকাৰত আক্ৰান্ত হোৱা নাছিল। একে সময়তে

জেৰাত তেওঁ কৈছিল যেঃ –"তেওঁৰ কোনো মানসিক বিকাৰ আছে নেকি সেইটো নিৰ্ধাৰণ কৰিবলৈ মই চিকিৎসকৰ দ্বাৰা শ্ৰী বৰাক পৰীক্ষা কৰাইছিলো। মানসিক চিকিৎসালয়ত মাত্ৰ আধা ঘন্টাৰ বাবে তেওঁক পৰীক্ষা কৰা হৈছিল আৰু তেওঁৰ স্বাভাৱিক মানসিক অৱস্থাৰ প্ৰমাণপত্ৰ লাভ কৰিছিল। মই তেওঁক পৰীক্ষা কৰাইছিলো কাৰণ মই কিছুমান লোকৰ পৰা জানিব পাৰিলো যে শ্ৰী বৰা মানসিক বিকাৰত ভুগি আছে। সন্তুষ্ট হৈ মই সম্পত্তিটো ক্ৰয় কৰিলো। "

সেয়েহে, এইটো স্বীকাৰ কৰা হৈছে যে ভগীৰথক অন্ততঃ মানসিক বিকাৰ গ্ৰস্ত বুলি গণ্য কৰা হৈছিল, সেয়েহে উত্তৰদাতাই সম্পত্তিটো ক্ৰয় কৰাৰ আগতে তেওঁক চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰাটো প্ৰয়োজনীয় বুলি ভাবিছিল।এই পটভূমিত প্ৰথম আপীল আদালতে তথ্যবোৰ পৰীক্ষা কৰিছিল আৰু বিচাৰ কৰিছিল যে উত্তৰদাতাই চিকিৎসকজনক হাজিৰ কৰোৱা উচিত আছিল যিয়ে প্ৰমাণ কৰিছিল যে ভগীৰথ মানসিকভাৱে সুস্হ। ১৮৭২ চনৰ চুক্তি আইনৰ ( Contract Act, 1872 ) ১১ নং ধাৰাত উল্লেখ কৰা অনুসৰি যদি কোনো পক্ষৰ সন্মতি মানসিকভাৱে অসুস্থ ব্যক্তিয়ে দিয়ে তেন্তে আন যিকোনো চুক্তিৰ দৰেই বিক্ৰীৰ চুক্তিও অবৈধ হ'ব বুলি অনস্বীকাৰ্য। চুক্তি আইনৰ ১২ নং ধাৰা অনুসৰি কোনো ব্যক্তিক চুক্তি কৰাৰ উদ্দেশ্যে মানসিকভাৱে সুস্থ বুলি গণ্য কৰা হয় যদিহে চুক্তিখন কৰাৰ সময়ত তেওঁ চুক্তিখন বুজিবলৈ সক্ষম হয় আৰু ইয়াৰ প্ৰভাৱ সন্দৰ্ভত যুক্তিসংগত বিচাৰ গঠন কৰিব পাৰে। সেয়েহে অসুস্থ মনৰ মানুহ মানেই মানসিক বিকাৰ গ্ৰস্ত নহয়। ব্যক্তিজনে তেওঁৰ কৰ্মৰ পৰিণতি বুজিবলৈ অক্ষম হোৱাটোৱেই যথেষ্ট।

ব্লেকৰ আইন অভিধানত (Black’s Law Dictionary) কৈছেঃ –কোনো চুক্তি বাতিল বা সম্পত্তি হস্তান্তৰকৰণৰ কাৰণ হিচাপে, মানসিক অসুস্থতাত ভুগি যুক্তিৰ ক্ষমতা সম্পূৰ্ণৰূপে হেৰুওৱাৰ প্ৰয়োজন নাই, বৰঞ্চ কাৰ্য্যটো সম্পন্ন কৰিবলৈ বা ইয়াৰ প্ৰকৃতি আৰু প্ৰভাৱসমূহ বুজিবলৈ দুৰ্বল ধাৰণা, স্মৃতিশক্তি আৰু বিচাৰৰ বাবে অক্ষম হ'লেই হ'ল। দেৱানী গোচৰত সম্ভাৱনীয়তাৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত লোৱা হয়। সম্পত্তি হস্তান্তৰকৰণ কাৰ্যকৰী কৰাৰ বাবে ভগীৰথৰ সক্ষমতাৰ বিষয়টো কেৱল চিকিৎসা সাক্ষ্যৰ জৰিয়তে প্ৰমাণ কৰাৰ প্ৰয়োজন নাছিল। ব্যক্তিগৰাকীৰ মানসিক অস্থিৰতা প্ৰমাণ কৰিবলৈ, ব্যক্তিগৰাকীৰ সাধাৰণ আচৰণৰ সৈতে খাপ নোখোৱা আৰু যুক্তিসংগতভাৱে ব্যাখ্যা কৰিব নোৱাৰা আচৰণ প্ৰদৰ্শন কৰি মানসিক অস্থিৰতা প্ৰমাণ কৰিব পাৰি।

উত্তৰদাতাই আপীলকাৰীসকলৰ এই সাক্ষ্যক প্ৰত্যাহ্বান জনোৱা নাছিল যে যেতিয়া ভগীৰথে হতাশাত ভোগে, তেতিয়াই তেওঁ হিংস্ৰ আৰু খঙাল হৈ পৰে, সম্পত্তি বিক্ৰী কৰাৰ চেষ্টা কৰে, আৰু তেওঁৰ পৰিয়ালক আঁতৰাই ৰাখে, কিয়নো জেৰাৰ সময়ত এই কথা খণ্ডন কৰা হোৱা নাছিল। কোৱা হয়, "insanus est qui, abjecta ratione, omnia cum impetu et furore facit," তেওঁ মানসিক বিকাৰগ্ৰস্ত যিয়ে যুক্তিক পৰিত্যাগ কৰি সকলো কাম হিংসা আৰু ক্ৰোধেৰে কৰে।" গোপনে আৱাসিক ঘৰটো বিক্ৰী কৰা আৰু তেওঁৰ সমগ্ৰ পৰিয়ালক বঞ্চিত কৰাৰ পদক্ষেপ বা তেওঁৰ পত্নী আৰু সন্তানৰ বিৰুদ্ধে কোনো কাৰণ নোহোৱাকৈ অপৰাধমূলক কাৰ্য্যকলাপ আৰম্ভ কৰাটো স্বাভাৱিক কাৰ্য নহয়।খণ্ড বিচাৰপীঠে ইয়াক এক অযুক্তিকৰ কাৰ্য্য বা মানসিক ব্যাধিৰ ফলাফল হিচাপে ধৰিব

লাগিছিল। যদি অভিযোগ কৰা হ'লহেঁতেন আৰু প্ৰমাণিত কৰা হ'লহেঁতেন যে ভগীৰথৰ পৰিয়ালৰ প্ৰতিজন সদস্যৰ সৈতে সম্পৰ্ক বেয়া হৈ পৰিছিল আৰু তেওঁক জৰুৰীভাৱে ধনৰ প্ৰয়োজন হৈছিল, যাৰ বাবে তেওঁ পৰিয়ালৰ একমাত্ৰ বাসগৃহটো তৎকালীনভাৱে বিক্ৰী কৰাৰ প্ৰয়োজন হৈছে, তেন্তে তেওঁৰ এই কাৰ্যক হয়তো যুক্তিসংগত বুলি গণ্য কৰা হ'লহেঁতেন।এনে কোনো ন্যায্যতা অবিহনে তেওঁৰ পৰিয়ালক ঘৰৰ পৰা উচ্ছেদ কৰি গৃহহীন কৰি ৰখা কাৰ্য্যক অসুস্থ মনৰ ইংগিত দিয়ে। আমোদজনক কথাটো হ'ল, প্ৰতিবাদকাৰীয়ে, যি পৰিয়ালটোৰ বাবে অচিনাকি, সাক্ষ্যত উল্লেখ কৰিছিল যে যদি তেওঁ মাটিখিনিৰ দখল লাভ নকৰিলে হেঁতেন তেন্তে তেওঁ দিয়া ধনখিনি ঘূৰাই ল'লে হেঁতেন। আপীলকাৰীসকল গৃহহীন হোৱাটো তেওঁ নিবিচাৰে বুলিও তেওঁ প্ৰকাশ কৰে। ভগীৰথৰ আচৰণ আৰু উত্তৰদাতাৰ প্ৰতিক্ৰিয়াই ভগীৰথৰ কাৰ্য্যকলাপক অযুক্তিকৰ আৰু অস্বাভাৱিক বুলি প্ৰদৰ্শন কৰিছে। ভগীৰথ মানসিক বিকাৰত আক্ৰান্ত বুলি উত্তৰদাতাই নিজেই স্বীকাৰ কৰিছিল আৰু আপীল আদালতে উত্তৰদাতাৰ এই স্বীকাৰক উপযুক্ত গুৰুত্ব দিয়া নাছিল। প্ৰমাণৰ মূল্যায়ন ব্যক্তিগত কাৰণ "আমি নিজ নিজ দৃষ্টিভংগীৰ ওপৰত ভিত্তি কৰি প্ৰমাণৰ মূল্যায়ন কৰোঁ।" যদি নিম্ন আদালতৰ মূল্যায়ন অযুক্তিকৰ বুলি ধৰা পৰে তেন্তে আপীলৰ সিদ্ধান্ত বাতিল কৰিব পাৰি আৰু বাতিল কৰা উচিত। কিন্তু যেতিয়া এনে নহয়, দৃষ্টিভংগী বেলেগ হোৱাৰ বাবেই আপীল আদালতে সমান্তৰাল বাস্তৱিক অনুমান এটাক উলংঘা কৰিবলৈ দ্বিধাবোধ কৰিব লাগিছিল। বিদ্বান একক ন্যায়াধীশগৰাকীয়ে মত প্ৰকাশ কৰিছিল যে এজন "স্বাভাৱিক" ব্যক্তিয়ে তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে অপৰাধমূলক গোচৰ আৰম্ভ নকৰে, বিশেষকৈ যেতিয়া দুয়োৰে মাজত কোনো

বেয়া ভাৱ বা মতানৈক্যৰ কোনো প্ৰমাণ নাথাকে। তেওঁ এইটোও মত পোষণ কৰিছিল যে এজন ব্যক্তিয়ে কোনো নিৰ্দিষ্ট কাৰণ নোহোৱাকৈ তেওঁৰ ঘৰৰ পৰা ওলাই যোৱাটো আৰু তেওঁৰ নিকট আৰু প্ৰিয়জনৰ পৰা আঁতৰি থকাটো স্বাভাৱিক নহয়। এই পৰিস্থিতিত যদি কোনো আদালতে নিৰ্ণয় কৰে যে অযুক্তিকৰ আচৰণে মানসিক ভাৰসাম্যহীনতাৰ ইংগিত দিয়ে আৰু ইয়াৰ পৰিসৰৰ পৰা অনুমান কৰিব পাৰি যে বিপৰীত পক্ষৰ প্ৰমাণ অবিহনে ভোগীৰাথ যুক্তিযুক্ত আৰু নিয়ন্ত্ৰিত চিন্তা কৰিব নোৱাৰিছিল, তেন্তে সিদ্ধান্তটো যুক্তিসংগত আছিল। নিঃসন্দেহে, উত্তৰদাতাৰ পক্ষত বিক্ৰী দলিল কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ভগীৰথৰ কাৰ্য্য এক অস্থিৰ মনৰ ফলত হৈছিল বুলি সম্ভাৱনীয়তাৰ ওপৰত ভিত্তি কৰি প্ৰমাণ প্ৰতিষ্ঠা কৰাৰ দায়িত্ব আপীলকাৰী সকলৰ। কিন্তু ভগীৰথৰ পত্নী আৰু সন্তানৰ প্ৰতি থকা বুজাব নোৱাৰা শত্ৰুতাৰ লগতে সকলো সম্পত্তি বিক্ৰী কৰাৰ  যুক্তিহীন হেঁপাহৰ প্ৰত্যাহ্বানহীন প্ৰমাণৰ পৰা অনুমান কৰিব পাৰি যে বিক্ৰীৰ সময়ত তেওঁৰ মানসিক অৱস্থা সুস্হিৰ নাছিল। আপীলকাৰীসকলে প্ৰমাণ কৰিবলৈ এইটোৱেই যথেষ্ট আছিল।তাৰ পিছত দায়িত্বটো উত্তৰদাতাৰ ওচৰলৈ যায় যে ভগীৰথৰ আপাত দৃষ্টিত অযুক্তিকৰ আচৰণৰ যুক্তিসংগত ব্যাখ্যা আছে বুলি প্ৰমাণ দাখিল কৰিব লাগে নহলে এইবুলি প্ৰমাণ দাখিল কৰিব লাগে যে  সম্পত্তিৰ আইনী হস্তান্তৰ যুক্তিপূৰ্ণ ভাৱে সম্পন্ন কৰিছিল। উত্তৰদাতাজনৰ জবানবন্দী গ্ৰহণযোগ্য হ'বলৈ হ'লে তেওঁৰ ওচৰত, এজন চিকিৎসকৰ প্ৰমাণপত্ৰ থাকিব লাগিব, যিজনে ভগীৰথৰ স্বাস্থ্য পৰীক্ষা কৰিছিল।উত্তৰদাতাই চিকিৎসকক মাতিবলৈ বিচাৰা নাছিল বা প্ৰমাণপত্ৰখন প্ৰমাণ কৰিবলৈ বিচৰা নাছিল। সেয়েহে আমি এই সিদ্ধান্তত উপনীত হওঁ যে এই বিষয়ত নিম্ন

আদালতৰ সিদ্ধান্ত বাতিল কৰাত খণ্ড বিচাৰপীঠে ভুল কৰিছিল। দ্বিতীয়তে, নিম্ন আদালতে প্ৰতিবাদীয়ে জেৰাৰ সময়ত এই বক্তব্যক প্ৰত্যাহ্বান জনোৱা নাছিল বুলি জনাৰ পিছতো আপীল আদালতে আপীলকাৰীয়ে দাখিল কৰা প্ৰমাণক অৱজ্ঞা কৰিলে যে প্ৰথম আপীলকাৰীয়ে বঙলা
তিনিটা নিৰ্মাণত উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। সম্ভৱতঃ সেই কাৰণেই আপোচ আবেদনত (compromise petition) ভগীৰথে প্ৰথম আবেদনকাৰীক এটা বঙলা উপহাৰ দিবলৈ, এখন সীমা দেৱাল নিৰ্মাণ কৰিবলৈ আৰু ১০, ০০০/- টকা দিবলৈ সন্মত হৈছিল। যিকোনো পৰিস্থিতিত, ভগীৰথক যুক্তিসংগত সিদ্ধান্ত ল'ব পৰা ব্যক্তি বুলি ধৰিলেও খণ্ড বিচাৰপীঠে বিবেচনা নকৰা গুৰুত্বপূৰ্ণ দিশটো আছিল যে আবেদনকাৰীসকলে আপোচটো বলৱৎ কৰিবলৈ বিচাৰিছিল যাক কেতিয়াও ভগীৰথ বা উত্তৰদাতাই প্ৰত্যাহ্বান জনোৱা নাছিল। অন্য অৰ্থত কবলৈ গলে তেওঁলোকে সেই চুক্তিৰ কাৰ্য্যকৰীকৰণ হোৱাটো বিচাৰিছিল য'ত ভগীৰথে এটা বঙলা প্ৰথম আবেদনকাৰীক হস্তান্তৰ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। এই ক্ষেত্ৰত আপীল আদালতে অন্ততঃ বিষয়টোৰ এই দিশটো বিবেচনা কৰি উচিত বিবেচনা কৰিব লাগিছিল।

অৱশেষত, উত্তৰদাতাই স্বত্ব অধিকাৰৰ লগতে ভাড়া ঘৰৰ পৰা হোৱা আয়ৰ উপৰিও লাভ, সুত আৰু ব্যয়ৰ বাবে প্ৰাৰ্থনা কৰিছিল। যিহেতু নিম্ন আদালতে ঘোষণা আৰু দখল আদায়ৰ বাবে কৰা মূল প্ৰাৰ্থনা সম্পৰ্কে প্ৰতিবাদকাৰীৰ মামলা খাৰিজ কৰিছিল, সেয়েহে তেওঁলোকে এই পৰৱৰ্তী প্ৰাৰ্থনাসমূহৰ সম্বোধন কৰা নাছিল। যিহেতু নিম্ন আদালতে স্বত্ব অধিকাৰৰ প্ৰাথমিক প্ৰাৰ্থনাৰ সন্দৰ্ভত

উত্তৰদাতাৰ গোচৰটো নাকচ কৰিছিল, তেওঁলোকে এই প্ৰাৰ্থনাসমূহ বিবেচনা কৰা নাছিল।খণ্ড বিচাৰপীঠে উত্তৰদাতাই সেই সন্দৰ্ভত কোনো তথ্য দাখিল কৰিছিল নে নাই বিবেচনা নকৰাকৈ আৰু তেওঁলোকৰ সিদ্ধান্তৰ সমৰ্থনত কোনো কাৰণ নিৰ্ধাৰণ নকৰাকৈ সকাহ প্ৰদান কৰে। আৰু উচ্চ ন্যায়ালয়ৰ একক ন্যায়াধীশে সমৰ্থন কৰা বিচাৰ আদালতৰ সিদ্ধান্ত পুনৰ কাৰ্যকৰী কৰা হয়।এই কাৰণসমূহৰ বাবে আপীল মঞ্জুৰ কৰা হয় আৰু উচ্চ ন্যায়ালয়ৰ একক ন্যায়াধীশে সমৰ্থন কৰা বিচাৰ আদালতৰ সিদ্ধান্ত পুনৰ কাৰ্যকৰী কৰা হয়। সেই অনুসৰি উত্তৰদাতাৰ গোচৰটো খাৰিজ কৰা হয়। অৱশ্যে, আপীলকাৰীসকলে ৬৯,০০০/- টকা লগতে ১৯৮৫ চনৰ ১ ছেপ্টেম্বৰৰ পৰা (বিচাৰ আদালতৰ ৰায়দানৰ তাৰিখৰ পৰা প্ৰায় ৬ সপ্তাহ) প্ৰতিমাহে ৬% সৰল সুত সহ উত্তৰদাতাক পৰিশোধ কৰিব লাগিব। কোনো খৰচ নাই।

---

অনুবাদ–কংকনা বৰা

জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়

..........................................................

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English

version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।“